**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

Date : 21-02-2026 **Time :** 0900 Hrs.

## HEADLINES

১। কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহৰ আজি গুৱাহাটীত চি আৰ পি এফৰ ৮৭ সংখ্যক প্ৰতিষ্ঠা দিৱসৰ কাৰ্যসূচীত অংশগ্ৰহণ।

২। অহা ১৪ মাৰ্চত প্ৰধানমন্ত্ৰীৰ অসম ভ্ৰমণৰ পাছতহে সমাগত নিৰ্বাচনৰ বাবে বিজেপিৰ প্ৰাৰ্থী তালিকা প্ৰকাশ পাব বুলি মুখ্যমন্ত্ৰীৰ মন্তব্য।

৩। আজি আন্তৰ্জাতিক মাতৃভাষা দিৱস। ৰাজ্যৰ বিভিন্ন ঠাইত ভিন ভিন কাৰ্যসূচীৰ আয়োজন।

৪। বিশ্বনাথ জিলাৰ ৰে'ল যোগাযোগ ব্যৱস্থাত নতুন মাত্ৰা প্ৰদান কৰি ৰাজধানী এক্সপ্ৰেছ ৰে'লৰ ষ্টপেজ মুকলি।

*আৰু*

৫। আই চি চি টী-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ ছুপাৰ এইটৰ খেলসমূহ আজি আৰম্ভ। প্ৰথমখন খেলত পাকিস্তান আৰু নিউজিলেণ্ড মুখামুখি।

ooooooo

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে আজি গুৱাহাটীৰ সৰুসজাইৰ অৰ্জুন ভোগেশ্বৰ বৰুৱা ক্ৰীড়া প্ৰকল্পত কেন্দ্ৰীয় সংৰক্ষিত আৰক্ষী বাহিনীৰ ৮৭ সংখ্যক প্ৰতিষ্ঠা দিৱসৰ কাৰ্যসূচীত অংশগ্ৰহণ কৰিব। কেন্দ্ৰীয় বাহিনীটোৱে এইবাৰ প্ৰথমবাৰৰ বাবে উত্তৰ-পূৰ্বাঞ্চলত প্ৰতিষ্ঠা দিৱসৰ ৰাষ্ট্ৰীয় কুচ-কাৱাজৰ আয়োজন কৰিছে। সৰুসজাইত আজি দিনৰ ১১ বজাত এই উপলক্ষে আয়োজিত অনুষ্ঠানত ৰাজ্যপাল লক্ষ্মণপ্ৰসাদ আচাৰ্য, মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা আৰু কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱাল উপস্থিত থাকিব। শ্ৰীশ্বাহে আজি সোণাপুৰৰ কচুতলীত দশম অসম আৰক্ষী বাহিনীৰ নতুন ছাউনীৰ আধাৰশিলাও স্থাপন কৰিব। গৃহমন্ত্ৰীগৰাকীৰ এই ভ্ৰমণকালত বিজেপিৰ নিৰ্বাচনকেন্দ্ৰিক মিত্ৰতা সন্দৰ্ভত চূড়ান্ত আলোচনা হোৱাৰ সম্ভাৱনা আছে। দুদিনীয়া ভ্ৰমণসূচীৰে অসমলৈ অহা কেন্দ্ৰীয় মন্ত্ৰীগৰাকী কাছাৰ ভ্ৰমণ সামৰি কালি নিশা গুৱাহাটীত উপস্থিত হয়। গুৱাহাটীৰ লোকপ্ৰিয় গোপীনাথ বৰদলৈ আন্তঃৰাষ্ট্ৰীয় বিমান বন্দৰত শ্ৰীশ্বাহক মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আদৰণি জনায়।

কেন্দ্ৰীয় গৃহমন্ত্ৰীগৰাকীয়ে কালি কাচাৰ জিলাত ভাইব্ৰেণ্ট ভিলেজ কাৰ্যসূচীৰ দ্বিতীয় পৰ্যায় আনুষ্ঠানিকভাৱে মুকলি কৰে। এই কাৰ্যসূচীত সীমামূৰীয়া গাঁওসমূহৰ উন্নয়ন আৰু সীমান্তৱৰ্তী অঞ্চলৰ জনসাধাৰণৰ বাবে বহনক্ষম কৰ্মসংস্থাপন সৃষ্টিত বিশেষ গুৰুত্ব আৰোপ কৰা হৈছে। বিগত ১০ বছৰত অসমৰ উন্নয়নৰ বাবে কেন্দ্ৰীয় চৰকাৰে প্ৰায় ১৫ লাখ কোটি টকা আবণ্টন দিছে বুলি উল্লেখ কৰি কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে ভাইব্ৰেণ্ট ভিলেজ কাৰ্যসূচীক উন্নত অসম গঢ়াৰ দিশত এটা অতি গুৰুত্বপূৰ্ণ পদক্ষেপ বুলি মন্তব্য কৰে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বত অসম উত্তৰ-পূৰ্বৰ স্বাস্থ্য সেৱাৰ কেন্দ্ৰ হিচাপে পৰিগণিত হৈছে বুলি উল্লেখ কৰি

গৃহমন্ত্ৰীগৰাকীয়ে ছেমি কণ্ডাক্টৰ খণ্ডকে ধৰি বিভিন্ন প্ৰকাৰৰ উদ্যোগসমূহে অসমক বিকশিত ৰাজ্য হিচাবে গঢ়ি তুলিব বুলি মন্তব্য কৰে।

*-বাইট-*

কেন্দ্ৰীয় গৃহমন্ত্ৰীগৰাকীয়ে অবৈধ অনুপ্ৰবেশ অসমৰ বাবে এটা বৃহৎ সমস্যা বুলি উল্লেখ কৰি কয়, যে বিজেপি চৰকাৰে বিগত ১০ বছৰত অনুপ্ৰবেশ ৰোধ কৰাৰ বাবে কাৰ্যকৰী পদক্ষেপ গ্ৰহণ কৰিছে।

~~00000000~~

অহা ১৪ মাৰ্চত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ অসম ভ্ৰমণৰ পাছতহে সমাগত নিৰ্বাচনৰ বাবে বিজেপিৰ প্ৰাৰ্থী তালিকা প্ৰকাশ পাব বুলি মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই জনাইছে। কাচাৰ জিলাত কালি আত্মনিৰ্ভৰ অসম অভিযানৰ দ্বিতীয় পৰ্যায়ৰ অধীনত ধনৰাশি বিতৰণৰ পাছত সাংবাদিকৰ সৈতে হোৱা কথা বতৰাত মুখ্যমন্ত্ৰীগৰাকীয়ে বৰ্তমানৰ বিধায়কসকলৰ কামৰ ওপৰত ভিত্তি কৰিহে টিকট দিয়া হ'ব বুলি উল্লেখ কৰে। ইপিনে, নিৰ্বাচন চমু চাপি অহাৰ লগে লগে ৰাজ্যত বিৰোধী ঐক্য গঠনক উৎকণ্ঠা আৰু অনিশ্চিয়তাৰ সৃষ্টি হোৱা পৰিলক্ষিত হৈছে। শাসকীয় বিজেপিৰ বিৰুদ্ধে প্ৰত্যাহ্বান জনাব পৰা প্ৰাৰ্থী বাছনিৰ বাবে দুদিনীয়া কাৰ্যসূচীৰে অসমলৈ অহা নিখিল ভাৰত কংগ্ৰেছৰ সাধাৰণ সম্পাদক তথা স্ক্ৰীনিং কমিটীৰ অধ্যক্ষ প্ৰিয়ংকা গান্ধীয়ে কালি ৰাজীৱ ভৱনত প্ৰদেশ কংগ্ৰেছৰ তিনিগৰাকী কাৰ্যকৰী সভাপতিৰ সৈতে বাৰ্তালাপ কৰে। পৰৱৰ্তী সময়ত শ্ৰীমতী গান্ধীয়ে অসম কংগ্ৰেছ কমিটীৰ বিভিন্ন কমিটী আৰু আৰু শাখাৰ নেতৃত্বৰ লগতো মত-বিনিময় কৰে। শ্ৰীমতী গান্ধীয়ে সকলোৰে মতামত গুৰুত্ব সহকাৰে গ্ৰহণ কৰি সকলোকে দলীয় সংগঠন শক্তিশালী কৰা আৰু ইয়াৰ বাবে গ্ৰহণ কৰিবলগীয়া পৰৱৰ্তী কাৰ্যপন্থা সন্দৰ্ভত আলোকপাত কৰে।

0000000

সমাগত নিৰ্বাচনত ভোটগ্ৰহণ প্ৰক্ৰিয়া স্বচ্ছ, নিৰপেক্ষ আৰু বিশ্বাসযোগ্য কৰি তোলাৰ বাবে আজিৰে পৰা বিভিন্ন জিলাত ই ভি এম আৰু ভিভি পেটসমূহৰ অতিৰিক্ত প্ৰথম পৰ্যায়ৰ পৰীক্ষণ অনুষ্ঠিত হ'ব। পুৱা ৯ বজাৰ পৰা সন্ধিয়া ৭ বজালৈ এই পৰীক্ষণ কৰা হ'ব। ইয়াৰ দ্বাৰা যন্ত্ৰসমূহৰ কাৰ্য ক্ষমতা আৰু নিৰ্ভৰযোগ্যতা পৰীক্ষা কৰি নিৰ্বাচনত ব্যৱহাৰৰ বাবে সম্পূৰ্ণৰূপে সাজু কৰি তোলা হ'ব। ৰাজ্যৰ মুখ্য নিৰ্বাচনী বিষয়াৰ কাৰ্যালয়ে নিয়োগ কৰা অভিযন্তাৰ দলে এই পৰীক্ষণ কৰিব। চি চি টিভি নিৰীক্ষণ আৰু লাইভ ৱেবকাষ্টিঙৰ মাজেৰে এই পৰীক্ষণ কৰা হ'ব।

0000000

আজি আন্তৰ্জাতিক মাতৃভাষা দিৱস। ভাষিক আৰু সাংস্কৃতিক বৈশিষ্ট্যৰ লগতে মাতৃভাষাৰ মহত্ব প্ৰচাৰ আৰু সম্প্ৰসাৰণৰ বাবে প্ৰতিবছৰে ২১ ফেব্ৰুৱাৰী দিনটোত আন্তৰ্জাতিক মাতৃভাষা দিৱস পালন কৰি অহা হৈছে। ১৯৯৯ চনৰ ১৭ নৱেম্বৰত ইউনেস্কই প্ৰথমবাৰৰ বাবে এই দিৱসৰ ঘোষণা কৰিছিল। পৰৱৰ্তী সময়ত ৰাষ্ট্ৰসংঘৰ সাধাৰণ সভাৰ এখন ঘোষণা পত্ৰৰ জৰিয়তে আনুষ্ঠানিকভাৱে এই দিৱসৰ স্বীকৃতি প্ৰদান কৰে। এইবেলি এই দিৱসৰ মূল বিষয় হৈছে - YOUTH VOICES ON MULTI-LINGUAL EDUCATION। মাতৃভাষাৰ মহত্বৰ লগতে ইয়াৰ প্ৰসাৰ আৰু গুৰুত্ব সন্দৰ্ভত জ্যেষ্ঠ শিক্ষক, অভিনেতা তথা নাট্যকাৰ অসীম কৃষ্ণ বৰুৱাই এইদৰে কয়।

(বাইটঃ অসীম বৰুৱা)

উল্লেখযোগ্য যে, আজিৰ দিনটো বাংলাদেশৰ স্বহীদ দিৱস হিচাপে পালন কৰা হয়। কিয়নো এই দিনটোতেই ১৯৫২ চনত বাংলা ভাষাক পাকিস্তানৰ অন্যতম ৰাষ্ট্ৰভাষা কৰাৰ দাবীত আন্দোলনকাৰী ছাত্ৰৰ ওপৰত আক্ৰমণ কৰা হৈছিল আৰু কেইবাজনো ছাত্ৰ নিহত হৈছিল। এই ঘটনাৰ আলমত পৰৱৰ্তী সময়ত ভাষিক আৰু সাংস্কৃতিক বৈচিত্ৰ তথা বহু ভাষাবাদৰ বিষয়ে সজাগতা সৃষ্টিৰ উদ্দেশ্যে প্ৰতিবছৰে এই দিৱস পালন কৰি অহা হৈছে।

০০০০০০০

বিশ্বনাথ জিলাৰ ৰে'ল যোগাযোগ ব্যৱস্থাত নতুন মাত্ৰা প্ৰদান কৰি কালি ডিব্ৰুগড়ৰ পৰা নতুন দিল্লীলৈ যোৱা ৰাজধানী এক্সপ্ৰেছৰ ৰে'লৰ ষ্টপেজ মুকলি কৰা হয়। শোণিতপুৰৰ সাংসদ ৰঞ্জিত দত্তই এই ষ্টপেজ ব্যৱস্থা মুকলি কৰে। তেওঁ কয়, যে বিশ্বনাথ চাৰিআলিত ৰাজধানী এক্সপ্ৰেছ ৰে'লগাড়ীৰ ষ্টপেজে জিলাখনৰ লগতে ইয়াৰ দাঁতি কাষৰীয়া অঞ্চলৰ যাত্ৰীসকলৰ দীৰ্ঘদিনীয়া অভাৱ পূৰণ কৰিব। বিশেষকৈ ইয়াৰ ফলত ছাত্ৰ-ছাত্ৰী, ৰোগী আৰু ব্যৱসায়ীসকল বিশেষভাৱে উপকৃত হ'ব বুলি সাংসদগৰাকীয়ে প্ৰকাশ কৰে। তেওঁ লগতে এই ব্যৱস্থাৰ বাবে প্ৰধানমন্ত্ৰী তথা ৰে'লমন্ত্ৰীক ধন্যবাদ জনায়।

***বাইট- ৰঞ্জিৎ দত্ত***

০০০০০০০

বিধানসভাৰ অধ্যক্ষ বিশ্বজিৎ দৈমাৰীয়ে অসম বিধানসভাৰ শেহতীয়া বাজেট অধিৱেশন সফলতাৰে সমাপ্ত হোৱা বুলি প্ৰকাশ কৰিছে। তেওঁ লগতে বিগত পাঁচটা বছৰ বিধানসভাৰ কাম-কাজ নিয়াৰীকৈ পৰিচালনা কৰাৰ ক্ষেত্ৰত সহায়-সহযোগিতা আগবঢ়োৱাৰ বাবে সকলোকে ধন্যবাদ জনাইছে। তামুলপুৰ জিলাত কালি সাংবাদিকৰ সৈতে হোৱা কথা বতৰাত অধ্যক্ষগৰাকীয়ে কয়, যে সংসদীয় গণতন্ত্ৰত চৰকাৰ আৰু বিৰোধীৰ মাজত তৰ্ক-বিতৰ্ক হ'লেও জনস্বাৰ্থত সদন চলি থকাটো অতি প্ৰয়োজন।

***বাইট- বিশ্বজিৎ দৈমাৰী***

শ্ৰীদৈমাৰীয়ে বিধানসভাৰ নতুন ডিজিটেল সংগ্ৰহালয় সন্দৰ্ভত কয়, যে ইয়াত অসমৰ সম্পূৰ্ণ ইতিহাস সংৰক্ষণ কৰা হৈছে। এই সংগ্ৰহালয়ত মাত্ৰ এটা বুটাম টিপিলেই অসমৰ ইতিহাসৰ সকলো তথ্য ডিজিটেলি লাভ কৰিব পৰা ব্যৱস্থা কৰা হৈছে বুলি তেওঁ উল্লেখ কৰে।

০০০০০০০

আকাশবাণী গুৱাহাটীৰ আজি নিশা ৮ বাজি ২ মিনিটৰ **দৃষ্টিপাত** অনুষ্ঠানত ৰাজ্যৰ যশস্বী ভাস্কৰ্য শিল্পী, কলা নিৰ্দেশক সংগীত নাটক একাডেমী তথা পদ্মশ্ৰী সন্মানেৰে সন্মানিত নুৰুদ্দিন আহমেদৰ সৈতে হোৱা সাক্ষাৎকাৰ প্ৰচাৰ কৰা হ'ব। সাক্ষাৎ গ্ৰহণ কৰিব অৰুণিমা গোস্বামীয়ে। অনুষ্ঠানটোৰ প্ৰযোজনা আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ মুৰব্বী ৰাজীৱ লোচন বৰঠাকুৰৰ।

০০০০০০০

গোৱালপাৰা জিলাৰ অসম-মেঘালয় সীমান্তৰ বৰঝৰাৰ বৰজং বিলত আজি বিল পৰিচালনা সমিতিয়ে স্থানীয় ৰাইজৰ বাবে মৎস্য চিকাৰৰ ব্যৱস্থা কৰিছে। ৰাভা জনগোষ্ঠী অধ্যুষিত লোকসকলৰ মৎস্য চিকাৰ এটা

অন্যতম পৰম্পৰা। বিভিন্ন জাতি-জনগোষ্ঠীৰ মাজত ভাতৃত্ব অধিক সুদৃঢ় কৰাৰ উদ্দেশ্যে বিল পৰিচালনা সমিতিয়ে যোৱা ৯ বছৰে মৎস্য চিকাৰৰ আয়োজন কৰি আহিছে। আজি পুৱাৰে পৰা বিলৰ পাৰলৈ সমূহীয়া মাছ ধৰা পৰ্বত অংশগ্ৰহণৰ উদ্দেশ্যে জিলাখনৰ বিভিন্ন অঞ্চলৰ পৰা অহা লোকৰ লগতে চুবুৰীয়া ৰাজ্য মেঘালয়ৰ পৰাও অনেক লোকৰ আগমণ ঘটিছে।

০০০০০০০

আই চি চি টী-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ ছুপাৰ এইটৰ খেলসমূহ আজি আৰম্ভ হ'ব। ছুপাৰ এইটৰ প্ৰথমখন খেলত আজি কলম্বোৰ আৰ প্ৰেমাদাসা ষ্টেডিয়ামত পাকিস্তান আৰু নিউজিলেণ্ড মুখামুখি হ'ব। খেলখন সন্ধিয়া ৭ বজাত আৰম্ভ হ'ব।

ভাৰত কাইলৈ আহমেদাবাদৰ নৰেন্দ্ৰ মোদী ষ্টেডিয়ামত ছুপাৰ এইটৰ এখন খেলত দক্ষিণ আফ্ৰিকাৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। ছুপাৰ এইটৰ গ্ৰুপ-ৱানত ভাৰত, জিম্বাবুৱে, ৱেষ্ট ইণ্ডিজ আৰু দক্ষিণ আফ্ৰিকা থকাৰ বিপৰীতে গ্ৰুপ-টুত পাকিস্তান, শ্ৰীলংকা, ইংলেণ্ড আৰু নিউজিলেণ্ড আছে।

যোৱা নিশা শ্ৰীলংকাৰ পাল্লেকেলে ষ্টেডিয়ামত অনুষ্ঠিত লীগ পৰ্যায়ৰ অন্তিমখন খেলত অষ্ট্ৰেলিয়াই ওমানক ৯ উইকেটত পৰাস্ত কৰে। দুয়োটা দল ইতিমধ্যে প্ৰতিযোগিতাৰ পৰা বাহিৰ হৈছে।

টি টুৱেণ্টি বিশ্বকাপৰ ছেমি ফাইনেল খেলসমূহ অহা ৪ আৰু ৫ মাৰ্চত অনুষ্ঠিত হ'ব। অহা ৮ মাৰ্চত ফাইনেল খেল অনুষ্ঠিত হ'ব।

০০০০০০০

## NEWPAPER REVIEW

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে আজি গুৱাহাটীৰ সৰুসজাইত কেন্দ্ৰীয় সংৰক্ষিত আৰক্ষী বাহিনীৰ ৮৭ সংখ্যক প্ৰতিষ্ঠা দিৱসৰ কাৰ্যসূচীত অংশগ্ৰহণ কৰিব। এই বাতৰিটো অসমীয়া প্ৰতিদিন, আমাৰ অসম, নিয়মীয়া বাৰ্তাকে ধৰি আজি গুৱাহাটীৰ পৰা প্ৰকাশিত প্ৰায় আটাইকেইখন বাতৰি কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

অহা ১৪ মাৰ্চত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে পুনৰ অসমলৈ আহি শিলচৰৰ পাঁচগ্ৰামৰ পৰা মেঘালয়ৰ বৰাপানী হৈ গুৱাহাটীলৈ প্ৰস্তাবিত হাইস্পিড কৰিড'ৰ প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰাৰ লগতে শিলচৰ চহৰত নিৰ্মাণ কৰা এখন উৰণ সেতু উদ্বোধন কৰিব। এই বাতৰিটোক দৈনিক অসম কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে।

গৃহমন্ত্ৰী অমিত শ্বাহে কালি কাছাৰ জিলাৰ ভাৰত-বাংলাদেশ সীমান্তবৰ্তী নাটানপুৰত **ভাইব্ৰেণ্ট ভিলেজ** কাৰ্যসূচীৰ দ্বিতীয় পৰ্যায় আনুষ্ঠানিকভাৱে মুকলি কৰা বাতৰিটো দি আছাম ট্ৰিবিউন আৰু দ্যা ছেণ্টিনেল কাকতে ফটোসহ মুখ্য বাতৰি হিচাপে প্ৰকাশ কৰিছে।

দুদিনীয়া ভ্ৰমণসূচীৰে অসমলৈ অহা নিখিল ভাৰত কংগ্ৰেছ কমিটিৰ সাধাৰণ সম্পাদক তথা সাংসদ প্ৰিয়ংকা গান্ধীয়ে কালি সোণাপুৰৰ জুবিন ক্ষেত্ৰত উপস্থিত হৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰা বাতৰিটো দৈনিক অগ্ৰদূত, আমাৰ অসম আৰু অসমীয়া খবৰ কাকতে ফটোসহ প্ৰথম পৃষ্ঠাত স্থান দিছে।

আমেৰিকাৰ উচ্চতম ন্যায়ালয়ে ৰাষ্ট্ৰপতি ডোনাল্ড ট্ৰাম্পে বিভিন্ন দেশৰ বিৰুদ্ধে আৰোপ কৰা শুল্ক অবৈধ বুলি ঘোষণা কৰা বাতৰিটো দৈনিক জনমভূমি কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

০০০০০০০

কামৰূপ জিলাৰ আমিনগাঁৱৰ নেচনেল ল' ইউনিভাৰ্ছিতি আৰু জুডিচিয়েল একাডেমীত কালি শিশু সুৰক্ষা আৰু নিৰাপত্তা সম্পৰ্কীয় এখন আলোচনাচক্ৰ অনুষ্ঠিত হয়। কেন্দ্ৰীয় চৰকাৰৰ মহিলা আৰু শিশু উন্নয়ন অভিযানৰ সৈতে সংগতি ৰাখি ব্ৰিটিছ এছিয়ান ট্ৰাষ্ট আৰু এটা বেচৰকাৰী সংস্থাৰ যৌথ সহযোগত এই আলোচনা চক্ৰখন অনুষ্ঠিত হয়। আলোচনাত একাডেমীখনৰ উপাচাৰ্য কে ভি এছ শৰ্মা মুখ্য অতিথি হিচাপে উপস্থিত থাকে। তেওঁ কয় যে চৰকাৰ, শিক্ষা জগত আৰু নাগৰিক সমাজৰ বিভিন্ন সংগঠনৰ মাজত সমন্বিত আৰু সমষ্টিগত পদক্ষেপৰ ওপৰত গুৰুত্ব আৰোপ কৰি শিশুৰ সামগ্ৰিক কল্যাণ সুনিশ্চিত কৰাৰ প্ৰয়োজনীয়তাৰ বিষয়ে উল্লেখ কৰে। শিশুৰ সুৰক্ষা আৰু নিৰাপত্তাক প্ৰধান বিষয় হিচাপে লোৱা আলোচনা চক্ৰত অসমৰ বিভিন্ন জিলাৰ আৰু বিভিন্ন ক্ষেত্ৰৰ ১৬ টা নাগৰিক সংগঠনৰ প্ৰতিনিধিয়ে অংশগ্ৰহণ কৰে।

০০০০০০০

বতৰৰ বতৰা–

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত বতৰ ঘাইকৈ ফৰকাল হোৱাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ৩২ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন ১৫ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

এই সময়ছোৱাত অৰুণাচল প্ৰদেশ আৰু অসমৰ কোনো কোনো ঠাইত পাতলীয়া বৰষুণ হোৱাৰ লগতে মেঘালয়, নাগালেণ্ড, মণিপুৰ, মিজোৰাম আৰু ত্ৰিপুৰাৰ বতৰ শুকান হৈ থকাৰ সম্ভাৱনা আছে বুলি বতৰ বিজ্ঞান কেন্দ্ৰই আগলি বতৰা দিছে।

০০০০০০০

**সমাপ্ত**